এই দুয়োটা বস্তু মোৰ উম্মতৰ পুৰুষসকলৰ বাবে হাৰাম আৰু নাৰীসকলৰ বাবে হালাল।

আলী বিন আবি তালিব -ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে বাওঁ হাতত ৰেচম আৰু সোঁ হাতত সোণ লৈ দুয়ো হাত
ওপৰলৈ উঠাই ক'লেঃ "এই দুয়োটা বস্তু মোৰ উম্মতৰ পুৰুষসকলৰ বাবে হাৰাম আৰু নাৰীসকলৰ বাবে হালাল।"
[رواه أبو داود والنسائي وابن ماجه] [ছহীহ[

হাদীছটোত বৰ্ণিত হৈছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এবাৰ ৰেচমৰ এটা কাপোৰ বা এটুকুৰা ৰেচমৰ বস্ত্ৰ বাওঁ হাতত লৈ, আৰু সোঁ হাতত সোণৰ এটা অলংকাৰ লৈ ঘোষণা কৰিলে যে, ৰেচম আৰু সোণ পুৰুষসকলে পৰিধান কৰা হাৰাম। আনহাতে নাৰীসকলৰ বাবে বৈধ।

http://www.sunnah.global/hadeeth/as/show/4292